Krishna Kanta Handiqui State Open University

MA 4th Sem. Examination, 2016

বিষয় ঃ অসমীয়া

তিব্বত-বর্মীয় ভাষা

সময় ঃ ৩ ঘণ্টা *মুঠ নম্বৰ ঃ ৮০*

১। তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ২×৫=১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) তিব্বত-বর্মীয় ভাষাসমূহৰ মূল কি? ভাৰতৰ কোনকেইটা অঞ্চলত এই ভাষা পৰিয়ালৰ ভাষাসমূহ প্ৰচলিত?

(খ) ৰাভা ভাষাৰ আটাইতকৈ পুৰণি লিখিত নিদৰ্শন কি?

(গ) বৰো ভাষাত কেইটা আক্ষৰিক সুৰৰ প্ৰয়োগ পোৱা যায়?

(ঘ) ডিমাছা ভাষাত প্ৰধানতঃ কেইটা বিশিষ্ট স্বৰধ্বনি আছে?

(ঙ) তিব্বত-বর্মীয় ভাষাত লিংগ ব্যাকৰণগত হয়নে নহয়?

(চ) অসমীয়া ভাষাত দন্তমূলীয় ধ্বনিৰ উপস্থিতিৰ কাৰণ কি?

২। তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক ঃ ৪×৩=১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) বৰো ভাষাৰ চৰ্চাৰ চমু ইতিহাস দাঙি ধৰক।

(খ) ৰেখা চিত্ৰসহ ৰাভা ভাষাৰ স্বৰবৰ্ণৰ তালিকাখন প্ৰস্তুত কৰক।

(গ) ৰাভা, বৰো আৰু মিছিং ভাষাৰ বচন সম্পৰ্কে চমুকৈ লিখক।

(ঘ) আপুনি বাস কৰা অঞ্চলটোত কোনটো তিব্বত-বর্মীয় ভাষাগোষ্ঠীৰ ভাষা প্ৰচলিত? চমুকৈ লিখক।

৩। তলৰ যিকোনো *তিনিটাৰ* চমুটোকা লিখক ঃ ৬x৩=১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ৰাভা ভাষাৰ চৰ্চাৰ চমু ইতিহাস

(খ) এখন তালিকাসহ তিব্বত-বর্মীয় ভাষাৰ অন্তর্গত বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহৰ বর্ণনা

(গ) ৰাভা ভাষাত ব্যৱহৃত সম্বন্ধবাচক শব্দ

(ঘ) দেউৰী ভাষাত ব্যৱহৃত হোৱা সংখ্যাবাচক নির্দিষ্টবাচক প্রত্যয়

৪। তলৰ যিকোনো *চাৰিটা* প্রশ্নৰ উত্তৰ লিখক ঃ ১০x৪=৪০
(প্ৰতিটো প্রশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ৰাভা ভাষাৰ এটি সাধাৰণ পৰিচয় আগবঢ়াওক।

(খ) কার্বি ভাষাৰ এটি সাধাৰণ পৰিচয় আগবঢ়াওক।

(গ) ডিমাছা আৰু তিৰা ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ বিচাৰ কৰক।

(ঘ) অসমৰ তিব্বত-বর্মীয় ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰক।

(ঙ) অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাসমূহৰ মাজত থকা ধ্বনিতাত্ত্বিক সাদৃশ্যসমূহ বিচাৰ কৰক।

——×——